# **REGIONAL NEWS UNIT**
# AKASHVANI, GUWAHATI

0000000000

**Date :** 02-04-2025
**Time:** 1205 Hrs

***Assamese Midday Bulletin***

\- - - - - - - - - - - - - -

ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদৰ ৩৩ টা সমষ্টিত ভোটগ্ৰহণ চলি আছে। কামৰূপ জিলাৰ অন্তৰ্গত ১৪ টা পৰিষদীয় সমষ্টিত  দিনৰ এঘাৰ বজালৈকে প্ৰায় ৩০ শতাংশ ভোটগ্ৰহণ হোৱা বুলি ৰাজ্যিক নিৰ্বাচন আয়োগৰ সূত্ৰই জনাইছে। গোবৰ্ধন সমষ্টিত সৰ্বাধিক ৩৪ দশমিক ৮-১ শতাংশ আৰু বকো সমষ্টিত সৰ্বনিম্ন ২২ দশমিক ৩-৯ শতাংশ ভোটদান হোৱাৰ বাতৰি পোৱা গৈছে। গোৱালপাৰা জিলাত দিনৰ এঘাৰ  বজালৈকে ৩৫ দশমিক ৪-৯ শতাংশ ভোটগ্ৰহণ  হৈছে। জিলাখনৰ ধনুভাংগাত সৰ্বাধিক ৪৩ দশমিক ৫-০ আৰু দিৰমাজাখিলিত সৰ্বনিম্ন ৩০ দশমিক ১-৪ শতাংশ ভোটদান হৈছে।  ভোটগ্ৰহণ এতিয়ালৈকে সূচাৰুৰূপে চলি থকা বুলি আমাৰ কামৰূপ আৰু গোৱালপাৰা জিলাৰ সংবাদদাতাই জনাইছে।

পুৱা ৭ বজাৰ পৰা আৰম্ভ হোৱা ভোটগ্ৰহণ বিয়লি ৩ বজাত অন্ত পৰিব। আমাৰ সংবাদদাতা দুগৰাকীয়ে জনোৱা মতে, বিভিন্ন ভোটগ্ৰহণ কেন্দ্ৰত ভোটদাতাসকলে পুৱাৰে পৰা পৰম্পৰাগত সাজ-পোচাক পৰিধান কৰি ভোটকেন্দ্ৰৰ সন্মুখত শাৰী পতা পৰিলক্ষিত হয়। ভোটগ্ৰহণ মুক্ত, নিকা আৰু সূচাৰুৰূপে সম্পন্ন কৰিবলৈ জিলা প্ৰশাসনে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। মেঘালয়ৰ সীমান্তৱৰ্তী কেইবাটাও ভোটগ্ৰহণ কেন্দ্ৰতো ভোটগ্ৰহণ চলি আছে।

আমাৰ আগৰ  বাতৰিতে কোৱা হৈছে যে, গোৱালপাৰা আৰু কামৰূপৰ মুঠ চাৰি লাখ ৪৫ হাজাৰতো অধিক ভোটদাতাই আজি তেওঁলোকৰ প্ৰতিনিধি নিৰ্বাচনৰ বাবে ভোটদান কৰিছে। কামৰূপ জিলাৰ দুটা আৰু গোৱালপৰা জিলাৰ এটা সমষ্টিত এন ডি এৰ প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে।

আমাৰ গোৱালপাৰাৰ সংবাদদাতাই জনোৱা অনুসৰি জিলাখনৰ ১৯ টা সমষ্টিৰ ৩৬২ টা ভোটগ্ৰহণ কেন্দ্ৰত দুই লাখ ৪০ হাজাৰ ২৫ গৰাকী ভোটদাতাই ৫২ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। জয়ৰামকুচি পৰিষদীয় সমষ্টিত এন ডি এৰ প্ৰাৰ্থী প্ৰেমাজুলি ৰাভা বিনাপ্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে।

কামৰূপ জিলাৰ ১৪ টা পৰিষদীয় সমষ্টিৰ ২০৯ টা ভোটগ্ৰহণ কেন্দ্ৰত এক লাখ ৬৮ হাজাৰ ৬৬৮ গৰাকী ভোটদাতাই ৪৪ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। জিলাখনৰ ১০ টা কেৱল মহিলা বিষয়াৰ দ্বাৰা আৰু এটা দিব্যাংগ বিষয়াৰ দ্বাৰা পৰিচালনা কৰা হৈছে। জিলাখনৰ দুটা আদৰ্শ কেন্দ্ৰত ভোটগ্ৰহণ চলি আছে।

পৰহিলৈ ৪ এপ্ৰিলত গোৱালপাৰা আৰু আমিনগাঁৱত ভোটগণনা কৰা হ'ব আৰু আবেলিৰ ভাগত ফলাফল ঘোষণা কৰা হ'ব। ০০০

০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত আজি যোৰহাটত প্ৰায় ১১১ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও ৰাজহুৱা প্ৰকল্পৰ উদ্বোধন কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে ৫৮১ মিটাৰ দৈৰ্ঘ্যৰ কমাৰবন্ধা আলি ৰে'লৰে উৰণ সেতু, অত্যাধুনিক সা-সঁজুলি সম্পন্ন স্বয়ংক্ৰিয় যান-বাহন উপযোগিতা পৰীক্ষণ কেন্দ্ৰ আৰু ১২০ খন আসনযুক্ত আলোচনা কক্ষ, সংবাদ সন্মিলন কক্ষ ইত্যাদি সংলগ্ন যোৰহাট সন্মিলন কেন্দ্ৰটো আজি ৰাইজৰ নামত উৎসৰ্গা কৰিব। ইয়াৰে উৰণ সেতুখন ৭৮ কোটি ২৭ লাখ, যান-বাহন পৰীক্ষা কেন্দ্ৰটো ১২ কোটি ৫০ লাখ আৰু সন্মিলন কেন্দ্ৰটো ২০ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰি উলিওৱা হৈছে। মন্ত্ৰী অজন্তা নেওগ আৰু যোগেন মহনৰ লগতে বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী, ৰূপজ্যোতি কুৰ্মী তথা ভাস্কৰ জ্যোতি বৰুৱা আৰু অসম ৰাজ্যিক পৰিবন নিগমৰ অধ্যক্ষ পল্লব লোচন দাস এই কাৰ্যসূচীত উপস্থিত থকাৰ কথা।

০০০০০

লোকসভাত আজি ৱাকফ সংশোধনী বিধেয়ক ২০২৪ বিবেচনা আৰু গ্ৰহণৰ বাবে উত্থাপন কৰা হ'ব। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে প্ৰকাশ কৰা মতে বিধেয়কখন সন্দৰ্ভত আলোচনাৰ বাবে ৮ ঘণ্টা সময় নিৰ্ধাৰণ কৰা হৈছে। সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত শ্ৰী ৰিজিজুৱে কয়, যে প্ৰয়োজনত এই সময় বৃদ্ধি কৰা হ'ব পাৰে। বিধেয়কখন সন্দৰ্ভত সকলো প্ৰশ্নৰ উত্তৰ দিবলৈ চৰকাৰ সাজু থকা বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰিছে।

ভাৰতীয় জনতাপাৰ্টী আৰু সংযুক্ত গণতান্ত্ৰিক মৰ্চাৰ অংশীদাৰ জে ডি ইউ তথা তেলেগু দেশম পাৰ্টীয়ে দলৰ সকলো সাংসদক আজি লোকসভাত উপস্থিত থাকিবলৈ হুইপ জাৰি কৰিছে। কংগ্ৰেছ দলেও নিজৰ সাংসদসকললৈ হুইপ জাৰি কৰিছে।

০০০০০

খেল মহাৰণৰ দ্বিতীয় পৰ্যায়ৰ ৰাজ্যিক স্তৰৰ প্ৰতিযোগিতা আজিৰ পৰা গুৱাহাটীত অনুষ্ঠিত হ'ব। ৰাজ্য চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ উদ্যোগত জিলা পৰ্যায়ত অনুষ্ঠিত খেলসমূহত শ্ৰেষ্ঠ খেলুৱৈ হিচাপে নিৰ্বাচিত খেলুৱৈসকলে ৰাজ্যিক স্তৰৰ প্ৰতিযোগিতাৰ একাধিক শাখাত অংশগ্ৰহণ কৰিব। সৰুসজাই ক্ৰীড়া প্ৰকল্প, নেহৰু ষ্টেডিয়াম, ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণ চৌহদ আৰু সোণাপুৰৰ এল এন ই পিত প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হ'ব। ডাঃ জাকিৰ হুছেইন একুৱাটিক কমপ্লেক্সত সাঁতোৰ, তেতেলীয়াৰ চাকনিবাৰী খাটত চাইক্লিং প্ৰতিযোগিতা হ'ব। মুঠ ৭ হাজাৰ ৯৮ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰিবলগীয়া এই প্ৰতিযোগিতাৰ অহা ৬ এপ্ৰিলত সামৰণি পৰিব। অংশগ্ৰহণকাৰীসকলে dsyw assam.com/khel ত লগ ইন কৰি তেওঁলোকৰ পঞ্জীয়ন নম্বৰ বা নাম পূৰণ কৰি পি এম অ'ৰ দ্বাৰা অনুমোদিত অংশগ্ৰহণৰ প্ৰমাণপত্ৰ ডাউনলোড কৰিব পাৰিব।

০০০০০

সমাপ্ত